# ৰোজা সম্পৰ্কীয় কেইটামান জৰুৰী কথা !

ৰোজা সম্পৰ্কীয় কিছুমান আধুনিক মাছাঈল।

লক্ষ্য আমাৰ সংশোধন। নিজেও পঢ়ক আনকো পঢ়ুৱাওক।

ইঞ্জামুল হক মিছবাহী,দৰং, অসম।

Scanned with CamScanner

ৰমজান
ইছলামৰ পোহৰ

# তাৰাৱীৰ চাৰি ৰাকাতৰ পিছত পঢ়া দোআ!

## Ramadhan

ছুবহানা জিল মুল্‌কি ৱাল মালাকূতি ছুবহানা জিল ইজ্জাতি ৱাল আজামাতি ৱাল হাইবাতি ৱাল কুদ্‌ৰাতি ৱাল কিব্‌ৰিয়া' ই ৱাল জাবাৰূত। ছুব্‌হানাল মালিকিল হায়্যীল্লাজী লা-য়ানা'মু ৱালা য়ামূতু আবাদান আবাদা। ছুব্বূহুন কুদ্দূছুন ৰব্বুনা বা ৰব্বুল মালা'ইকাতি ৱাৰ ৰূহ। আল্লাহুম্মা আযিৰনা মিনান্না'ৰ। ইয়া মুযীৰু ইয়া মুযীৰু ইয়া মুযীৰু।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত Toothpaste ব্যৱহাৰ !

## Ramadhan

ৰোজা অৱস্থাত Toothpaste তথা দাঁত-মঞ্জন ব্যৱহাৰ কৰা মকৰূহ,আৰু যদি ই বিন্দু পৰিমাণো ভিতৰত যায় তেন্তে ৰোজা ভঙ্গ হ'ব। (গতিকে ৰোজা অৱস্থাত এয়া ব্যৱহাৰ নকৰি মিছৱাক কৰা উচিত। চোৱাবৰো কাম আনহাতে এয়া ছুন্নতো।)

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# পায়খানাৰ ৰাস্তাৰে দৰৱ!

## Ramadhan

ৰোজা থকা অৱস্থাত কেঁচুমূৰীয়া(piles)ৰ ৰোগীৰ কেতিয়াবা পায়খানাৰ ৰাস্তাৰে ঔষধ ল'ব লগা হয়। এনে অৱস্থাত ৰোজা ভঙ্গ হ'ব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা থকা অৱস্থাত থু !

## Ramadhan

থু(থুক)বা ডিঙিৰ ভিতৰৰ বিজলুৱা থু যেতিয়ালৈ ভিতৰত থাকিব গিলিলে ৰোজা নাযায় অথচ মুখৰ পৰা বাহিৰ উদাহৰণ স্বৰূপে হাতত থু পেলাই আকৌ খাই দিলে,তেতিয়াহলে ৰোজা ভাঙি যাব। এনেকুৱা খচৰাচৰ কোনেও নকৰে।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# মাহেকীয়া হ'লে ৰোজা !

## Ramadhan

মাহেকীয়া অৱস্থাত মহিলা সকলে নামাজ ও ৰোজা আদায় কৰিব নালাগে। কিন্তু ৰমজানৰ পিছত উক্ত ৰোজা পূৰ্ণ কৰিব লাগিব,নামাজ নালাগে।



Scanned with CamScanner

# চকুত ঔষধ লগোৱা !

## Ramadhan

রোজা থকা অৱস্থাত চকুত ঔষধ ল'লে
রোজা ভঙ্গ নহয়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা ৰাখি dialysis !

## Ramadhan

ৰোজা ৰাখি থকা অৱস্থাত Hemodialysis হ'লে ৰোজা ভঙ্গ নহয়। যদি ডায়েলাইছিছৰ দিনত শক্তি হ্ৰাস আৰু ডাক্তৰে পৰামৰ্শ দিয়ে ৰোজা নাৰাখিবলে তেন্তে নিজৰ ইচ্ছা; ৰাখিবও পাৰে নাৰাখিলেও অসুবিধা নাই। নাৰাখিলে সুস্থ হ'লে কাজা জৰুৰী। তদুপৰি Peritoneal Dialysis ৰ পৰা যথাসম্ভৱ দিনত বাচি থকা উত্তম। আৱশ্যেকীয়তাত হ'লে পিছত কাজা কৰি লোৱা উত্তম।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা থকা অৱস্থাত সপ্নদোষ!

## Ramadhan

ৰোজা থকা অৱস্থাত স্বপ্নদোষ(nightfall ) হ'লে ৰোজা নাভাঙে।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# অপবিত্ৰ অৱস্থাত চেহেৰী !

## Ramadhan

চেহেৰী খোৱাৰ আগতে স্বপ্নদোষ হ'লে সময়ৰ নাটনিত গোছল নকৰাকৈ চেহেৰী খাব পাৰি। তাৰ পিছত অনতিপলমে পবিত্ৰ হোৱা জৰুৰী।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত Lipstick!

## Ramadhan

ৰোজা অৱস্থাত Lipstick, লিপব'ম আদি লগাব পাৰি কিন্তু যাৰ ওঁঠ চেলেকাৰ বা চুপি(suck) থকাৰ অভ্যাস আছে তাৰ বাবে নিষেধ।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা ৰাখি ইঞ্জেকচন লগোৱা!

## Ramadhan

ৰোজা অৱস্থাত বেজী (ইঞ্জেকচন) লগালে ৰোজা ভঙ্গ নহয়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা থকা অৱস্থাত Corona vaccine !

## Ramadhan

ৰোজা থকা অৱস্থাত ইঞ্জেকচনৰ দ্বাৰা কৰোণা ভেকচিন ল'লে ৰোজা ভঙ্গ নহয়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা থকা অৱস্থাত নাক,কাণত ঔষধ!

## Ramadhan

ৰোজা থকা অৱস্থাত
নাক,কাণত ঔষধ ঢালিলে
ৰোজা ভঙ্গ হ'ব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা থকা অৱস্থাত সুগন্ধ লগোৱা!

## Ramadhan

এইবোৰ কাম "তেল,আটৰ লগোৱা নাভিৰ তলৰ নোম কটা" জায়েজ। কোনো ধৰণৰ গুনাহ নহয়। চুৰমা লগালেও ৰোজা নাভাঙে অথচ কাজল লগোৱাৰ পৰা দূৰত থকা ভাল।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

ৰম জান
ইছলামৰ পোহৰ

# ৰোজা থকা অৱস্থাত বমি !

## Ramadhan

নিজে নিজে যিমানেই বমি নহওক কিয় ৰোজা নাভাঙে অথচ ৰোজাদাৰে জানি বুজি উদাহৰণ স্বৰূপে আঙুলি বা অন্য যিকোনো বস্তু মুখত ভৰাই যদি বমি কৰে আৰু বমিৰে যদি মুখ ভৰি যায় তেন্তে ৰোজা যাব(যদিহে মানুহজনৰ ৰোজাত থকা মনত থাকে)পাহৰি কৰিলে ৰোজা নাযায়,ঠিক তেনেদৰে পাহৰি যিমানেই নাখাওক কিয় ৰোজা ভংগ নহয়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# গৰ্ভৱতী/গাখীৰ খুৱাই থকা মহিলাৰ ৰোজা !

## Ramadhan

গৰ্ভৱৰ্তী অথবা গাখীৰ খুৱাই থকা মহিলাৰ যদি এয়া বিশ্বাস থাকে যে ৰোজা ৰাখিলে সন্তানৰ বাবে হানিকাৰক হ'ব তেনেহলে ৰোজা নাৰাখি পিছত কাজা কৰক। অন্যথা অযথা নাৰাখিলে গুণাহগাৰ হ'ব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# মুখৰ ভিতৰত তেজ ওলালে !

# Ramadhan

দাঁতৰ পৰা বা তাৰ আলুৰ পৰা তেজ ওলালে ৰোজা ভংগ নহয় যদিহে ডিঙিৰ ভিতৰলৈ নাযায় অন্যথা যাব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা থকা অৱস্থাত পত্নীক চুম্বন!

## Ramadhan

ৰোজা থকা অৱস্থাত ওঁঠ ও জিভাৰ বাহিৰে অইন অংগত পত্নীৰ চুম্বন ল'ব পাৰি যদিহে বীৰ্য ওলোৱাৰ বা যৌনতা সৃষ্টিৰ সম্ভৱ নাথাকে অন্যথা অনুমতি নহ'ব। এনে অৱস্থাত সাৱতি-আকোঁৱালি লোৱাতো কোনো অসুবিধা নাই।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# চেহেৰী খাব পাহৰি গ'লে!

## Ramadhan

ৰোজাৰ কাৰণে চেহেৰী খোৱা চৰ্ত নহয়(বাধ্যতামূলক নহয়)বৰং এটা পছন্দনীয় ছুন্নত্, আগ ৰাতিয়েই নিয়্যত কৰি লওঁক অথবা দ্বিপ্ৰহৰৰ আগে আগে নিয়্যত কৰিলেও হৈ যাব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজাৰ মাহত সহবাস !

## Ramadhan

দিনত সহবাস কৰিলে ৰোজা ভংগ হ'ব। ৰোজাৰ মাহত ৰাতি সহবাস কৰিব পাৰি। এয়া জায়েজ কিন্তু যথা সম্ভৱ গা ধোৱা আৱশ্যেকীয় আনহাতে নামাজৰ সময় আহিলে গা ধোৱা ফৰজ অন্যথা গুণাহগাৰ হ'ব ।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত RCT !

## Ramadhan

ৰোজা অৱস্থাত আৰ-চি-টি(দাঁতৰ চিকিৎসা)কৰিলে ৰোজা ভংগ হ'ব যদিহে ঔষধ অথবা ৰক্ত ডিঙিৰ ভিতৰলৈ যায়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত Pornography!

## Ramadhan

ৰোজা অৱস্থাতেই কিয় কোনো অৱস্থাতেই ফিল্ম,পর্নোগ্ৰাফী আদি চোৱাৰ অনুমতি নাই। হয়! কোনো নিকৃষ্ট চৰিত্ৰৰ গৰাকীয়ে যদি চায় তেন্তে ৰোজাতো ভংগ নহয় কিন্তু চোৱাৰ গুণাহ হ'ব আৰু ৰোজাৰ নূৰ গুচি যাব। বীৰ্যপাত হ'লে ৰোজা ভংগ হ'ব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত endoscopy !

## Ramadhan

ৰোজা অৱস্থাত endoscopy (কেমেৰাৰে শৰীৰৰ ভিতৰুৱা পৰীক্ষা)কৰিলে ৰোজা ভংগ হ'ব যদিহে কেমেৰাত ঔষধ লগোৱা হয়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা থকা অৱস্থাত Saline(ছেলাইন)!

# Ramadhan

ৰোজা থকা অৱস্থাত ইঞ্জেকচন অথবা Saline(ছেলাইন)লগাব পাৰি,ই ৰোজা ভঙ্গ নকৰে।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত চিগাৰেট,হোক্কা,বিড়ি,চাধা আদি !

## Ramadhan

ৰোজা অৱস্থাত চিগাৰেট,হোক্কা,বিড়ি,চাধা আদি খালে ৰোজা ভঙ্গ হ'ব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা থকা অৱস্থাত Inhaler ব্যৱহাৰ!

## Ramadhan

inhaler(শুঙিবলৈ ঔষধ ভৰাই থোৱা এটা যন্ত্ৰ) ব্যৱহাৰ কৰিলে ৰোজা ভঙ্গ হ'ব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত তেজ পৰীক্ষা!

## Ramadhan

ৰোজা ৰাখি তেজ পৰীক্ষা কৰিলে ৰোজা ভংগ নহয়। পৰীক্ষা কৰিব পাৰি।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা ৰখা অৱস্থাত insulin !

## Ramadhan

insulin ৰ বেজী সচৰাচৰ মাংসত লগোৱা হয়,ৰোজা ভঙ্গ নহয়। যদি মুখেৰে glucose লগোৱা অতি আৱশ্যকীয় হয় যে ইয়াৰ বাহিৰে কোনো ৰাস্তা নাই,তেনেকুৱা অৱস্থাত ৰোজা নাৰাখি পিছত কাজা কৰিলে হ'ব।



Scanned with CamScanner

# ৰোজা ৰাখি ৰক্তদান !

## Ramadhan

আৱশ্যকীয়তাত ৰক্তদান কৰিলে ৰোজা ভঙ্গ নহয়। যদি তেজ দিয়াৰ পূৰ্বে জানি বুজি ৰোজা ভাঙে,তেনেহলে কাজাৰ লগতে ষাঠিটা ৰোজা Continue ৰাখিব লাগিব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

ইছলামৰ পোহৰ

# ৰোজা অৱস্থাত ধূপ-ধূনা শুঙা!

## Ramadhan

ৰোজা অৱস্থাত জানি বুজি ধূপ-ধূনা শুঙিলে ৰোজা ভঙ্গ হ'ব। অনিচ্ছাকৃত ভাবে শুঙা যোৱাৰ কথা সুকীয়া।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত অক্সিজেন!

## Ramadhan

ৰোজা অৱস্থাত কৃত্ৰিম অক্সিজেন, অক্সিজেন মাস্ক লগালে ৰোজা ভংগ হ'ব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত মাহেকীয়া !

## Ramadhan

ৰোজা অৱস্থাত মাহেকীয়া হ'লে ৰোজা ভঙ্গ হ'ব,ইফটাৰৰ এক মিনিট আগতেই নহওঁক কিয়। পিছত কাজা কৰিব লাগিব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত হস্তমৈথুন!

## Ramadhan

ৰোজাৰ দিনতেই হওক বা অইন দিনত, হস্তমৈথুন কৰা হাৰাম। হয়! ৰোজা অৱস্থাত কৰিলে বীৰ্য ওলালে ৰোজা ভংগ হ'ব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# মহিলাৰ বাবে!

## Ramadhan

ৰোজাৰ মাহত মহিলাই মাহেকীয়াৰ পৰা আঁতৰত থাকিবলৈ যদি বড়ি(table)ব্যৱহাৰ কৰি ৰোজা ৰাখে তেন্তে তেওঁৰ ৰোজা হৈ যাব। কিন্তু এনেকুৱা কাম কৰাৰ অনুমতি নাই। কাৰণ এনেবোৰ কামে বহুতো বেমাৰৰ সৃষ্টি কৰিব পাৰে। (এনে অৱস্থাত ৰোজা নাৰাখি পিছত কাজা কৰিলে হ'ব)

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা থকা অৱস্থাত দাঁত সৰাব পাৰিনে !

## Ramadhan

পাৰি, কিন্তু ৰোজা থকা অৱস্থাত যদি কোনোৱে দাঁত সৰালে আৰু তেজ ডিঙিৰ ভিতৰলৈ গুচি গ'ল তেন্তে ৰোজা ভঙ্গ হ'ব,শুই থকা অৱস্থাতেই নহওঁক কিয়। তদ্ৰূপ মুখত ৰঙীন ৰচি ৰখাৰ কাৰণে যদি থু ৰঙীন হৈ পৰে তেন্তে উক্ত থু গিলিলে ৰোজা ভঙ্গ হ'ব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা থকা অৱস্থাত ৰক্ত উলিওৱা!

## Ramadhan

ৰোজা থকা অৱস্থাত বেমাৰৰ পৰীক্ষা নিৰীক্ষাৰ বাবে তেজ উলিয়াব পাৰি,ৰোজা ভঙ্গ নহয়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰমজানৰ ৰাতি সহবাস!

## Ramadhan

ৰমজানৰ ৰাতিত স্বামী-স্ত্রীয়ে সহবাস কৰিব পাৰে। যথাসম্ভৱ গা ধোৱা আৱশ্যকীয়,আনহাতে নামাজৰ সময় আহিলে গা ধোৱা ফৰজ অন্যথা গুণাহগাৰ হ'ব)

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত জিভাৰ তলত টেবলেট!

## Ramadhan

হৃদপিণ্ডৰ ৰোগৰ বাবে জিভাৰ তলত টেবলেট ল'লে ৰোজা ভংগ হ'ব কাৰণ তেনে অৱস্থাত ঔষধৰ কিছু ক্ষুদ্ৰ অংশ হ'লেও নিশ্চিত ৰূপে ডিঙিৰ ভিতৰত যায়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# সৰু ল'ৰা ছোৱালীৰ ৰোজা !

## Ramadhan

সন্তানৰ দহ বছৰত যদি ৰোজা ৰখাৰ শক্তি থাকে তেন্তে ৰখোৱা হ'ব। বালিগ হোৱাৰ পিছত নাৰাখিলে গুণাহগাৰ হ'ব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# অমুছলিমে দিয়া বস্তুৰে ইফতাৰ!

## Ramadhan

মাংস আৰু অপবিত্ৰ বস্তুৰ বাহিৰে সিহঁতে দিয়া সকলো বস্তুৰে ইফতাৰ কৰিব বা খাব পাৰি।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# মুছাফিৰৰ ৰোজা!

## Ramadhan

চৰীয়ত সন্মত মুছাফিৰ(৯২ কিলোমিটাৰ দূৰলৈ যোৱাৰ নিয়্যতত ভ্ৰমণ)হ'লে ৰোজা এৰিব পাৰে কিন্তু পিছত কাজা কৰিব লাগিব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# মাহেকীয়া হোৱা মহিলাৰ বনোৱা খাদ্য !

## Ramadhan

এনে অৱস্থাত মহিলাই বনোৱা খাদ্য খোৱাত কোনো অসুবিধা নাই।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজাৰ দিনত মাহেকীয়া হোৱা মহিলাৰ পানাহাৰ !

# Ramadhan

ৰোজাৰ দিনত মাহেকীয়া হোৱা মহিলাই খাদ্য খাব পাৰিব কিন্তু গোপনীয়তা অৱলম্বন কৰিব।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা ৰাখি মলম ব্যৱহাৰ !

## Ramadhan

কটা-চিঙাত বা জখম আদিত মলম লগালে ৰোজা ভংগ নহয়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত পাহৰি খালে !

## Ramadhan

ৰোজা থকা অৱস্থাত পাহৰি যিমানেই নাখাওক কিয় ৰোজা ভঙ্গ নহয়। হয়! মনত পৰোতেই পৃথক হোৱা আৱশ্যেকীয়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

ইছলামৰ পোহৰ

# কাণত, নাকত দৰৱ !

## Ramadhan

ৰোজা ৰাখি কাণত বা নাকত দৰৱ ঢালিলে ৰোজা ভঙ্গ হ'ব। অনিচ্ছাকৃত পানী গ'লে ভংগ নহয়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত তেজ ওলালে!

## Ramadhan

ঘাঁ,জখম হ'লে বা কাটিলে যিমানেই তেজ নোলাওক কিয় ৰোজা ভঙ্গ নহয়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত sugar পৰীক্ষা!

## Ramadhan

**sugar পৰীক্ষা কৰিলে ৰোজা নাযায়।**

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ইফটাৰৰ দোআ কেতিয়া পঢ়া হ'ব!

## Ramadhan

"বিছমিল্লাহ" পঢ়ি ইফতাৰ কৰক তাৰ পিছত ইফতাৰৰ দোআ পঢ়ক,এয়া পঢ়া ছুন্নত।

(আবু দাউদ,৪/৪০,২৩৫৮)

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোগীয়ে কেতিয়া ৰোজা নাৰাখিব!

## Ramadhan

বেমাৰ বেছি হোৱা ৰোগীয়ে অভিজ্ঞ,বিশ্বাসযোগ্য ডাক্তৰৰ পৰামৰ্শমতে বা নিজৰ অভিজ্ঞতাৰ দ্বাৰাহে(যে ৰোজা ৰাখিলে ক্ষতি হ'ব পাৰে তেন্তে)ৰোজা এৰিব পাৰে পিছত কাজা জৰুৰী।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# পৰীক্ষাৰ বাবে ৰোজা নৰখা!

## Ramadhan

পৰীক্ষাৰ বাবে ৰোজা এৰি দিয়াৰ অনুমতি নাই। এয়া হাৰাম।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত তেল,মালিছ !

## Ramadhan

ৰোজা অৱস্থাত তেল মালিছ কৰিলে ৰোজা ভংগ নহয়।

লক্ষ্য আমাৰ সংশোধন ! মূল তথ্য পাবলৈ আৰু আমাৰ গ্ৰুপত যোগ হ'বলৈ; +918638731917

Scanned with CamScanner

# ফিৎৰাৰ পৰিমাণ

শুদ্ধ তথ্য অনুসৰি ফিৎৰাত গাইপতি ২ কেজি ৪৭ গ্ৰাম ঘেহু বা তাৰ মূল্য আদায় কৰা ওৱাজিব।

**২ কেজি ৪৭ গ্ৰাম ঘেহু আদায় কৰক বা তাৰ মূল্য**

## ৬২ টকাকৈ আদায় কৰক।

এয়া নিম্নতম পৰিমাণ,তাতোধিক দিয়া উত্তম। (২০২২)

Follow us on ইছলামৰ পোহৰ

Scanned with CamScanner